অধ্যায় ২ ঃ উন্নয়ন সংযোগৰ পৰিচয়

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ উন্নয়ন আৰু উন্নয়নমূলক সংযোগৰ ধাৰণা
২.৪ উন্নয়নৰ আহিলা হিচাপে তথ্য
২.৫ শিক্ষামূলক মনোৰঞ্জন আৰু তথ্যমূলক মনোৰঞ্জন— উন্নয়নৰ বাবে সংবাদ মাধ্যম
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'উন্নয়ন' বিষয়টো ব্যাখ্যা কৰিব পাৰিব
- উন্নয়নমূলক সংযোগ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- উন্নয়নমূলক সংযোগৰ ধাৰণা আৰু অৰ্থৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

২.২ পৰিচয়

এতিয়ালৈকে আপুনি নিশ্চয় সংযোগৰ আৰু গণ সংযোগৰ ধাৰণা তথা আমাৰ ব্যক্তিগত আৰু সামাজিক জীৱনত পেলাব পৰা প্ৰভাৱ সম্পৰ্কে যথেষ্ট জ্ঞাত হৈছে।

এই খণ্ডটিত আমি আপোনাক উন্নয়নমূলক সংযোগ নামৰ এক নতুন ধাৰণাৰ সৈতে পৰিচয় কৰাই দিব বিচাৰিছো। এই ধাৰণাই বৰ্তমান বিশ্বত এক নৱ আলোড়নৰ সৃষ্টি কৰিছে। কিন্তু উন্নয়নমূলক সংযোগৰ বিষয়ে জনাৰ আগতে উন্নয়নৰ বিষয়ে জানিব লাগিব।

২.৩ উন্নয়ন আৰু উন্নয়নমূলক সংযোগৰ ধাৰণা

উন্নয়নৰ সহজ অৰ্থ হৈছে 'ধনাত্মক পৰিৱৰ্তন' অথবা আমাৰ জীৱনৰ উন্নতিৰ বাবে হোৱা পৰিবৰ্তন। এনে পৰিবৰ্তনে আমাৰ জীৱন পৰিপূৰ্ণ কৰাৰ উপৰি জীৱন ধাৰণৰ প্ৰণালী উন্নত কৰে আৰু এনেদৰে পৃথিৱীৰ যিকোনো প্ৰান্তত এক আধুনিক, বৈজ্ঞানিক আৰু সুস্থ জীৱন-যাপন কৰাত সহায়ক হয়। এই সম্পৰ্কে বিতং বাখ্য পূৰ্বৰ অধ্যায়ত কৰা হৈছে।

উন্নয়নমূলক সংযোগৰ ব্যৱহাৰ মানৱ সমাজৰ উন্নয়নৰ বাবে কৰা হয়। ই আমাৰ জীৱন ধাৰণৰ স্তৰো উন্নত কৰি তোলে। কিয়নো গণ প্ৰচাৰ মাধ্যমৰ পৰা আহৰিত তথ্য যিদৰে ব্যৱহাৰ

কৰা উচিত সেই সম্পৰ্কে উন্নয়নমূলক সংযোগে শিক্ষা প্ৰদান কৰে। ই সমাজত উপকাৰৰ কাৰণে তথ্য প্ৰচাৰ কৰে।

বৰ্তমান সময়ত বিশ্বজুৰি বিভিন্ন আৰ্থ-সামাজিক বিষয়ৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে, যেনে— গোলকীয় উষ্ণতা, এণ্টার্টিকাত বৰফ গলা, দৰিদ্ৰতা নিবাৰণ, লিংগ সমতা, ইত্যাদি। গৱেষকসকলে মত প্ৰকাশ কৰে যে, ওপৰোক্ত উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ উন্নয়নমূলক সংযোগ হৈছে এক গুৰুত্বপূৰ্ণ আহিলা। সেয়েহে ইয়াৰ উপযুক্ত গৱেষণা হোৱাটো অতি প্ৰয়োজনীয়।

এইখিনিতে আমি কেইটামান উদাহৰণ ল'ব পাৰো। আমি সকলোৱে জানো যে, উত্তৰ-পূৰ্বাঞ্চলত কেইবাখনো কৃষি বিশ্ববিদ্যালয় আৰু পশু চিকিৎসা মহাবিদ্যালয় আছে। এই শিক্ষানুষ্ঠানসমূহে উন্নত মানৰ বীজ, কৃষি পদ্ধতি, ইত্যাদি উদ্ভাৱন কৰিবলৈ অহৰহ গৱেষণা কৰি থাকে। কিন্তু এই সকলো উদ্ভাৱনে প্ৰকৃত লক্ষ্য ব্যক্তিসকলৰ কাষ নোপোৱালৈকে এই গৱেষণাৰ প্ৰকৃত উদ্দেশ্য পূৰণ নহয়। কাৰণ জ্ঞান বা তথ্যই আমাৰ জীৱন উন্নত কৰাত সহায় কৰা উচিত আৰু ইয়াৰ প্ৰকৃত উদ্দেশ্য হৈছে নতুন উদ্ভাৱনাসমূহ বিষয়ে কৃষকসকলক জানিবলৈ দিয়া, যাতে তেওঁলোকে কৃষি পদ্ধতি উন্নত কৰিব পাৰে।

একেদৰে, কেইবছৰমান আগতে অসমৰ মৰিগাঁও জিলাৰ কেইবাশ আত্মসহায়ক গোট সমৃদ্ধ এক প্ৰতিষ্ঠানে এক ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখাৰ পৰা কেইবালাখ টকাৰ সমূহীয়া ঋণ লৈছিল। এই আত্মসহায়ক গোটসমূহ ইমানেই দায়বদ্ধ আছিল যে তেওঁলোকে নিৰ্ধাৰিত সময়ৰ আগতে ঋণ পৰিশোধ কৰিছিল। বেংক বিষয়াসকল এই কামত ইমানেই সন্তুষ্ট হৈছিল যে, তেওঁলোকে আত্মসহায়ক গোটসমূহক অধিক পৰিমাণে ঋণ প্ৰদান কৰিছিল। যদি অন্যান্য আত্মসহায়ক গোট তথা কৃষকসকলে এই তথ্য লাভ কৰে, তেন্তে ৰাজ্যখন ভিতৰৰ আৰু বাহিৰৰ বহুতো লোক অনুপ্ৰাণিত হ'ব বুলি আশা কৰিব পাৰি। এনেদৰে তেওঁলোকে নিজৰ জীৱনধাৰণ পদ্ধতি যথেষ্ট উন্নত কৰিব পাৰিব আৰু এয়াই হৈছে উন্নয়নমূলক সংযোগৰ মূল উদ্দেশ্য।

এইখিনিতে এটা অতি গুৰুত্বপূৰ্ণ কথা আহি পৰে। যিমানেই আমি গণ সংযোগ আৰু গণ প্ৰচাৰ মাধ্যমৰ অধ্যয়ন কৰোঁ, সিমানেই আমি বৃহত্তৰ ক্ষেত্ৰৰ পৰা অতি সৰু ক্ষেত্ৰসমূহলৈয়ে গতি কৰোঁ। অৱশ্যে এই সৰু আৰু বিশেষ ক্ষেত্ৰসমূহ নিজস্ব ক্ষেত্ৰত যথেষ্ট বৃহৎ।

উদাহৰণস্বৰূপে, প্ৰথমতে আমি গণ সংযোগৰ ভিত্তিত সংযোগৰ বিষয়ে শিকিলো। তাৰ পিছত আমি ব্যক্তিগত স্তৰৰ সংযোগ আৰু গণ সংযোগলৈ আগবাঢ়িলোঁ। গণ সংযোগৰ বৃহৎ ক্ষেত্ৰখনৰ ভিতৰত আমি সাংবাদিকতা, জনসম্পৰ্ক আৰু বিজ্ঞাপনৰ দৰে আন কেতবোৰ বৃহৎ ক্ষেত্ৰ বিচাৰি পাওঁ। ঠিক তেনেদৰে সংযোগ ব্যৱস্থাত আৰু পৃথিৱীৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ উন্নয়নমূলক সংযোগেও খৰতকীয়া কৈ নিজকে এক উন্নয়নশীল তথা বিশেষ ক্ষেত্ৰৰূপে স্থাপন কৰিবলৈ প্ৰয়াস কৰি আছে।

এই ক্ষেত্ৰখনে ক্ৰমান্বয়ে এক অতি গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে প্ৰসাৰ লাভ কৰিছে। কিয়নো এই ক্ষেত্ৰখন তৃণমূল পৰ্যায়ৰ লোকসকলে তথ্য আহৰণ কৰি নিজৰ জীৱন-ধাৰণ প্ৰণালী উন্নত কৰাত সহায় কৰা আটাইতকৈ উপযোগী পদ্ধতি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উন্নয়নমূলক সংযোগ মানে কি?

.....

.....

.....

প্রশ্ন নং ২ ঃ উন্নয়নমূলক সংযোগ কেনেদৰে গুৰুত্বপূর্ণ?

.....

.....

.....

.....

.....

২.৪ উন্নয়নৰ আহিলা হিচাপে তথ্য

বিগত কেইবাদশকজুৰি বিশ্বৰ বিভিন্ন প্রান্তত এখন দেশ অথবা এখন সমাজৰ নাইবা এগৰাকী ব্যক্তিতকৈও নিম্ন স্তৰত কেনেকৈ উন্নয়নৰ মান নির্ণয় কৰিব পাৰি, এই সম্পর্কে চিন্তা-চর্চা চলি আছে। বিভিন্ন বিশেষজ্ঞ মণ্ডলীয়ে এই দিশত বহুতো তত্ত্ব আৰু মান উদ্ভাৱন কৰি উলিয়ালে, আৰু বিভিন্ন সময়ত সিবিলাকৰ সময়ে সময়ে মাপকাঠিৰে জোখা হৈছে।

বিশ্বৰ যিকোনো প্রান্তত কোনো দেশ বা সমাজৰ উন্নয়নৰ স্তৰ নির্ণয় কৰিবলৈ Gross National Product (GNP) আৰু Gross Domestic Product (GDP) পদ্ধতি প্রয়োগ কৰা হয়। অৱশ্যে এই দুটা তত্ত্ব আৰু ধাৰণাৰ মাজত বিশেষজ্ঞ আৰু সমালোচকসকলে বহুতো ঋণাত্মক দিশ বিচাৰি পোৱাৰ বাবে অন্যান্য কিছুমান তত্ত্বও উদ্ভাৱন কৰিছে।

সেয়েহে বিভিন্ন সময়ত উন্নয়ন আৰু অর্থনীতিৰ বিশেষজ্ঞসকলে এখন ৰাষ্ট্রৰ উন্নয়নৰ বিকাশৰ স্তৰ নির্ণয় কৰিবলৈ কেতবোৰ মান নির্দিষ্ট কৰিছে। এই মান অনুসৰি এখন ৰাষ্ট্রৰ 'তীখাৰ ভোগৰ পৰিমাণ' বা 'মুঠ বিদ্যুতৰ ভোগৰ পৰিমাণ' আৰু 'বিদ্যুতৰ শক্তিৰ উপলব্ধতা আৰু ভোগ'ৰ ওপৰত নির্ভৰ কৰি কোনো ৰাষ্ট্রৰ উন্নয়নৰ মান নির্ণয় কৰা হয়।

অৱশ্যে যোৱা কেইটামান দশক ধৰি এই তত্ত্বসমূহৰ ঠাইত এক আধুনিক আৰু উপযোগী ঐচ্ছিক ধাৰণা গঢ় লৈ উঠিছে। এই নতুন ধাৰণা অনুসৰি, তথ্য আহৰণৰ উপায় আৰু এই উপায়সমূহৰ প্রতি ৰাইজৰ আগ্রহ আৰু উপলব্ধতাৰ ওপৰত ভিত্তি কৰিহে কোনো ৰাষ্ট্র উন্নয়নৰ হাৰ নির্ণয় কৰা হয়।

তথ্যই আমাক জীৱন ধাৰণৰ স্তৰ উন্নত কৰাত সহায় কৰে। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক

শিক্ষাই আমাৰ অভিজ্ঞতাসমূহৰ সৰু সৰু তথ্যৰ সমষ্টিৰ সৈতে একেলগে আমাক নতুন উন্নয়নসমূহৰ বিষয়ে অৱগত কৰে আৰু জীৱনৰ বহুতো পৰীক্ষা-নিৰীক্ষাৰ ক্ষেত্ৰত সহায় কৰি জীৱনশৈলীৰ বিকাশ সাধন কৰে।

বৰ্তমান যুগটো হৈছে তথ্যৰ যুগ আৰু যেতিয়ালৈকে এজন ব্যক্তি তথ্য আহৰণ কৰিব পৰা অৱস্থানত নাথাকে তেতিয়ালৈকে নিজৰ স্তৰ উচ্চ কৰিব নোৱাৰে। যিহেতু প্ৰতিজন নাগৰিকে সমাজ তথা দেশৰ ভেঁটি নিৰ্মাণ কৰে, সেয়েহে তথ্যৰ সৰ্ববাহ সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু ৰাইজৰ পদূলিলৈ উপযোগী তথ্যৰে সেৱা আগবঢ়োৱাটোৱে হৈছে উন্নয়নমূলক সংযোগৰ প্ৰকৃত উদ্দেশ্য।

এইখিনিতে 'তথ্য শক্তি'— এই উক্তিৰ বিষয়ে কিছু জানি লোৱাটো উচিত হ'ব। বিশেষজ্ঞসকলে এই উক্তিটো উচিত অৰ্থত ব্যৱহাৰ কৰিছে। কাৰণ আজিৰ পৃথিৱীখন তথ্যৰ ওপৰতেই নিৰ্ভৰশীল। সেয়েহে তথ্যকেই বৰ্তমান সময় কোনো দেশ অথবা ব্যক্তিৰ উন্নয়নৰ মান নিৰ্ধাৰণ কৰা আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। কিন্তু কেনেকৈ?

এইখিনিতে আপোনাৰ জীৱনৰ সৈতে জড়িত এটি উদাহৰণ লওঁ আহক। আপুনি বহুতো উৎস আৰু নিজা অভিজ্ঞতাৰ পৰা গম পাইছেই যে গণ সংযোগৰ পাঠ্যক্ৰম গ্ৰহণ কৰিলে ভৱিষ্যতে আপোনাৰ সংস্থাপনৰ সুবিধা অন্যান্য বিভাগতকৈ অধিক। এই বুজি পোৱাটোৱে হৈছে সেই তথ্য যিয়ে আপোনাক জীৱনত সুপ্ৰতিষ্ঠিত হোৱাৰ ক্ষেত্ৰত সহায় কৰিব। অৰ্থাৎ আপুনি তথ্য আকাৰত উপভোগ কৰি থকা এয়া হৈছে একধৰণৰ শক্তি।

অন্য এক ক্ষেত্ৰত ধৰি লোৱা হ'ল যে চৰকাৰে কেইখন মান গাঁৱলৈ খণ্ড উন্নয়ন কাৰ্যালয়ৰ জৰিয়তে বীজ, চাউল, ঘেঁহু, টকা আৰু অন্যান্য সাহায্য-সামগ্ৰী যোগান ধৰিলে। এতিয়া যদি বিষয়া আৰু পঞ্চায়তৰ সদস্যসকলে ভ্ৰষ্টাচাৰত লিপ্ত হ'ব বিচাৰে, তেন্তে এই তথ্যখিনিয়ে তেওঁলোকৰ বাবে শক্তি। একে সময়তে যিসকল লোকৰ প্ৰতি এই অনুদান আগবঢ়োৱা হৈছে। সেইসকলৰ বাবে এই তথ্য শক্তিস্বৰূপ। কাৰণ এই তথ্য জনাৰ পিছত তেওঁলোকে খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ পৰা নিজৰ প্ৰাপ্য অনুদান গ্ৰহণ কৰি এক সূচাৰু তথ্য অপক্ষপাতমূলক বিতৰণ নিশ্চিত কৰিব পাৰে।

তথ্য অপক্ষপাতমূলক হোৱা উচিত। কিন্তু যিকোনো বেলেগ সামগ্ৰীৰ দৰে ইয়াকো ধনাত্মক বা ঋণাত্মক দুয়ো ধৰণে ব্যৱহাৰ কৰিব পাৰি।

অৱশ্যে তথ্য থকাজন সদায়ে কিছু পৰিমানে হ'লেও শক্তিশালী স্তৰত থাকে স্বাক্ষৰ হোৱাটোৱে হৈছে শক্তি, কিয়নো লিখিব আৰু পঢ়িব জনা কাৰণে আপুনি এক উচ্চ পৰ্যায়ত থাকে। যিকোনো সমস্যাৰ ক্ষেত্ৰতো আপুনি এক সুপৰিকল্পিত সমাধান উলিয়াব পাৰে। সেয়েহে তথ্যই হৈছে শক্তি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক—

ক) এখন ৰাষ্ট্ৰৰ উন্নয়নৰ স্তৰ জুখিবলৈ ..... আৰু .....ৰ মান ব্যৱহাৰ কৰা হয়।

খ) তথ্যই হৈছে .....।

গ) এই তথ্যৰ যুগত .....ক কোনো ৰাষ্ট্ৰ অথবা মানৱ জীৱনৰ উন্নয়ন নির্ণয় কৰিবলৈ ব্যৱহাৰ কৰা হয়।

প্রশ্ন নং ৪ ঃ তথ্যই আমাৰ জীৱন ধাৰণ প্রণালী উন্নত কৰাত কেনেদৰে সহায় কৰে?

.....

.....

.....

২.৫ শিক্ষামূলক মনোৰঞ্জন আৰু তথ্যমূলক মনোৰঞ্জন— উন্নয়নৰ বাবে সংবাদ মাধ্যম

প্রায় ১৩০ কোটি জনসংখ্যাৰে ভাৰতৰ জনসংখ্যা গণ প্রজাতান্ত্রিক চীনৰ পিছতেই দ্বিতীয় স্থানত। কেন্দ্রীয় চৰকাৰৰ তথ্য অনুসৰি এই জনসংখ্যাৰ ৬৫% স্বাক্ষৰ। কিন্তু চৰকাৰৰ ব্যাখ্যা অনুসৰি 'যিজন ব্যক্তিয়ে নিজৰ নামটো লিখিব পাৰে, তেৰেঁই স্বাক্ষৰ'। গতিকে প্রকৃততে স্বাক্ষৰতা স্বৰূপার্থত ইয়াতকৈ যথেষ্ট নিম্ন। যদি এই সংখ্যক ৬৫%ৰ আধা বুলি ধৰা হয়, তেতিয়া ৩০ কোটিৰো বেছি জনতা হৈছে প্রকৃত অর্থত স্বাক্ষৰ। এই বৃহৎ সংখ্যক অশিক্ষিত জনতাৰ ভিতৰত এনে বহুতো শিশু আছে, যিসকলে এতিয়াও বিদ্যালয়লৈ যাবলৈ প্রস্তুত নহয়। কিন্তু এইসকলৰ ভিতৰত বৃহৎ সংখ্যক এনে লোক যিসকলে অর্থনৈতিক, বয়সগত অথবা অন্যান্য কাৰণত আনুষ্ঠানিক শিক্ষা গ্রহণ কৰিব নোৱাৰিলে।

সেয়েহে সমাজে এইসকল লোকক শিক্ষিত অথবা সীমিতভাৱে স্বাক্ষৰ নকৰাকৈ নোহোৱা হৈ যাবলৈ দিয়াটো উচিত হ'বনে? এজন সীমিতভাৱে স্বাক্ষৰ ব্যক্তি হৈছে সেইজন যিজনে আনুষ্ঠানিক শিক্ষা গ্রহণ কৰা নাই। কিন্তু সীমিতভাৱে তেওঁৰ কিছু শিক্ষা আছে আৰু তেওঁৰ নিজৰ বৃত্তিৰ দায়িত্ববোৰ পালন কৰিবলৈ সক্ষম।

আনহাতে দেশৰ বৃহৎসংখ্যক মানুহ অশিক্ষিত হৈ থাকিলে অদূৰ বা সুদূৰ ভৱিষ্যতে দেশখনত উন্নতি হোৱাটো সম্ভৱ নহ'ব। সেয়েহে চৰকাৰে এই ব্যক্তিসকলক শিক্ষিত কৰিবলৈ বিভিন্ন আঁচনি ৰূপায়ণ কৰাৰ লগতে বহুতো মাধ্যমৰ সহায়েৰে শিক্ষা আগবঢ়াইছে। সেয়েহে সংবাদ মাধ্যমে এই বঞ্চিত লোকসকলৰ উদ্দেশ্যে যথেষ্ট দায়িত্ব পালন কৰাটো উচিত।

আগতেই উল্লেখ কৰিছো যে, অনানুষ্ঠানিক উৎসৰ দ্বাৰা লাভ কৰা শিক্ষা আৰু অভিজ্ঞতাৰ পৰিমাণ আনুষ্ঠানিক ক্ষেত্রতকৈ যথেষ্ট বেছি। সেয়েহে সংবাদ মাধ্যমৰ লগতে অন্যান্য

মাধ্যমসমূহৰ ব্যৱহাৰ শিক্ষাৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী।

আপুনি হয়তো মন কৰিছে যে আনুষ্ঠানিক শিক্ষা আৰু পাঠ্যপুথিসমূহত কোনো মনোৰঞ্জনৰ ব্যৱস্থা নথকাবাবে এইসমূহ অতি 'ভাল নলগা' ধৰণৰ আৰু 'আমনিদায়ক' হয়। গতিকে সংবাদ মাধ্যমৰ ব্যৱহাৰৰ দ্বাৰা মনোৰঞ্জনৰ মাজেৰে যদি জীৱনৰ ব্যৱহাৰিক দিশসমূহৰ বিষয়ে শিক্ষা প্ৰদান কৰা হয়। তেন্তে বহুতো লোক ইয়াৰ প্ৰতি আকৰ্ষিত হ'ব।

এই ব্যৱস্থাটোত যথেষ্ট সুবিধা আৰু সুযোগ বিচাৰি ল'ব পাৰি। শিক্ষাভিত্তিক মনোৰঞ্জন অথবা মনোৰঞ্জনৰ দ্বাৰা শিক্ষা— এই ধাৰণা বৰ্তমান যথেষ্ট ফলপ্ৰসূ হৈছে আৰু ভৱিষ্যতে ইয়াৰ যথেষ্ট প্ৰসাৰ ঘটিব।

তথ্যভিত্তিক মনোৰঞ্জনৰ ধাৰণাটো ইয়াৰ সৈতে একেধৰণৰ। কেৱল ইয়াৰ শিক্ষাতকৈ তথ্য প্ৰদানত অধিক গুৰুত্ব আৰোপ কৰা হয়।

আপুনি ইতিমধ্যে মানুহৰ উন্নয়নৰ বাবে তথ্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিলে আৰু সংবাদ মাধ্যমে এই তথ্যসমূহ মনোৰঞ্জনৰ মাজেৰে যোগান ধৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ তলত দিয়াসমূহৰ ব্যাখ্যা কৰক ঃ

ক) শিক্ষা ভিত্তিক মনোৰঞ্জন

.....

.....

খ) তথ্য ভিত্তিক মনোৰঞ্জন

.....

.....

.....

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উন্নয়নমূলক সংযোগক সংযোগৰ উন্নয়নৰ বাবে কৰা ব্যৱহাৰ বুলি অভিহিত কৰিব পাৰি।
- উন্নয়ন মূলক সংযোগে সমাজৰ বিভিন্ন স্তৰৰ লোকক লাগতিয়াল তথ্যৰ যোগান ধৰে।
- সংযোগ আৰু বিভিন্ন ক্ষেত্রত বিশেষজ্ঞসকলে বর্তমান গণ প্রচাৰ মাধ্যম আৰু সংবাদ মাধ্যম তৃণমূল পর্যায়ৰ ৰাইজলৈ তথ্য যোগানৰ ক্ষেত্রত ব্যৱহাৰ কৰিবলৈ মত পোষণ কৰিছে।
- শিক্ষাভিত্তিক মনোৰঞ্জনৰ অর্থ হৈছে ৰাইজক মনোৰঞ্জনৰ দ্বাৰা শিক্ষা প্রদান কৰা
- তথ্যভিত্তিক মনোৰঞ্জনৰ অর্থ হৈছে ৰাইজক মনোৰঞ্জনৰ দ্বাৰা তথ্য যোগান ধৰা।



২.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Dua and Gupta (1994)– *Media and Development,* Har Anand Publications, Delhi.
2) Gupta, U.S., *Communication Planning for Socio-Economic Development,* Har Anand Publications, Delhi.
3) Haji, Hohd Handan Bin Adnan, *Development and Anti-Development Messages in Film, Television and advertising* (1991), Media Asia, Vol. 18, No 2, pp 63-71.
4) Joshi, Uma, *Understanding Development Communication,* Dominant Publishers & Distributors, (First edition 2001).
5) Joshi, Pahad, Mehta (Edited) (2000)– *Proceedings– National Seminar on Development Communication in India– Challenges and Issues,* Home Science Faculty, MS Baroda University.



২.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ উন্নয়নমূলক সংযোগৰ অর্থ হৈছে উন্নয়নৰ বাবে সংযোগ। ই হৈছে এনে এক সংযোগ ব্যৱস্থা, যাৰ ব্যৱহাৰ মূলতঃ মানৱ জীৱনৰ বিভিন্ন দিশৰ উন্নয়নৰ বাবে কৰা হয়। ই আমাক জীৱন ধাৰণ প্রণালী উন্নত কৰিবলৈ সহায় কৰে।

২নং প্রশ্নৰ উত্তৰ ঃ উন্নয়নমূলক সংযোগে সমাজৰ বিভিন্ন স্তৰৰ লোকক ব্যৱহার্য তথ্য যোগান ধৰে। আৰু এনেদৰে জীৱন-ধাৰণ প্রণালী উন্নত কৰাত সহায় কৰে কিয়নো মনোৰঞ্জনৰ লগতে সংবাদ মাধ্যমৰ এক গুৰুত্বপূর্ণ দায়িত্ব হৈছে ৰাইজক বিভিন্ন ক্ষেত্রত শিক্ষা প্রদান কৰা। ইয়াৰ দ্বাৰা ৰাইজে সেই তথ্য আৰু জ্ঞান নিজৰ ব্যক্তিগত জীৱনৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰিবলৈ উৎসাহিত হ'ব।

৩নং প্রশ্নৰ উত্তৰ ঃ ক) GNP আৰু GDP, খ) শক্তি, গ) তথ্য

৪নং প্রশ্নৰ উত্তৰ ঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা আৰু লগতে সৰু সৰু তথ্যৰে সমৃদ্ধ আমাৰ অভিজ্ঞতাসমূহে নতুন উন্নয়নসমূহৰ বিষয়ে আমাক অৱগত কৰে আৰু আমাৰ জীৱন ধাৰণ প্রণালী উন্নত কৰে। অর্থাৎ তথ্যই আমাৰ জীৱন উন্নত কৰি তোলে।

৫নং প্রশ্নৰ উত্তৰ ঃ ক) শিক্ষাভিত্তিক মনোৰঞ্জন ঃ ৰাইজক মনোৰঞ্জনৰ মাজেৰে শিক্ষা প্রদান কৰা।

খ) তথ্যভিত্তিক মনোৰঞ্জন ঃ ৰাইজক মনোৰঞ্জনৰ মাজেৰে তথ্য যোগান ধৰা। আমি জানো যে যথেষ্ট উপযোগী তথ্যকো সাধাৰণভাৱে ৰাইজে গ্রহণ কৰিব নিবিচাৰে। তেওঁলোকে এইবোৰ মনোৰঞ্জন সমৃদ্ধ হোৱাটো বিচাৰে। সেয়েহে তথ্যভিত্তিক মনোৰঞ্জনৰ দ্বাৰা সংবাদ মাধ্যমে এই কাম সমাধা কৰে।



১.৯ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রায় ৫০টা শব্দত উত্তৰ দিয়ক)

১) উন্নয়ন গণসংযোগৰ ধাৰণা আগবঢ়াওক।

২) তথ্যভিত্তিক মনোৰঞ্জন কি?

খ) চমু প্রশ্ন (প্রায় ১৫০টা শব্দত উত্তৰ দিয়ক)

১) এজন সীমিতিভাবে শিক্ষিত ব্যক্তি কোন?

২) "শিক্ষাভিত্তিক মনোৰঞ্জন তৃণমূল পর্যায়ত উন্নয়ন ত্বৰান্বিত কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। ব্যাখ্যা কৰক।

গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০শব্দত উত্তৰ দিয়ক)

১) উন্নয়নমূলক সংযোগক জীৱন-ধাৰণ প্রণালী উন্নত কৰিবলৈ কেনেদৰে ব্যৱহাৰ কৰিব পাৰি?

২) আপুনি তথ্যক উন্নয়নৰ কাৰক বুলি ভাবে নে? যদি ভাবে, কিয়?

*** ***** ***